আমাৰ অসম e-Paper

Email Print Comments
Email Print Comment

More

# বেংগালুৰুত অসমীয়া ৱীকিপিডিয়াৰ কৰ্মশালা সম্পন্ন



**বেংগালুৰু, ৮ ডিচেম্বৰ ঃ** ভাৰতৰ শীৰ্ষস্থানীয় উচ্চ শিক্ষা প্ৰতিষ্ঠান বেংগালুৰুৰ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানত পহিলা ডিচেম্বৰত ন-পুৰণি অসমীয়া ৱীকিপিডিয়ানসকলৰ এখন কৰ্মশালা অনুষ্ঠিত হৈ যায়। এই সভাত অসমীয়া ৱিকিপিডিয়াৰ প্ৰশাসক গীতাৰ্থ বৰদলৈকে ধৰি প্ৰায় কুৰিজন অসমীয়া গৱেষক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। তদুপৰি ৱীকিমিডিয়া ভাৰত শাখাৰ তৰফৰ পৰা শুভাশিস পাণিগ্ৰাহী আৰু অসমীয়া ৱীকিপিডিয়াৰ শুভাকাংক্ষী মালয়ালম ৱীকিপিডিয়াৰ অন্যতম প্ৰশাসক চিজু এলেক্স উপস্থিত থাকে। এই অনুষ্ঠানত অসমীয়া ৱিকিপিডিয়াৰ বিষয়ে ন-শিকাৰুসকলক অৱগত কৰোৱা হয়। প্ৰবন্ধ অনুসন্ধান, নতুন প্ৰবন্ধৰ সৃষ্টি, ইংৰাজী প্ৰবন্ধৰ পৰা অসমীয়ালৈ অনুবাদ কৰিব পৰা কৌশল, ছবি আপল'ড প্ৰক্ৰিয়া আদিৰ বিষয়ে ন-শিকাৰুসকলক ব্যৱহাৰিক প্ৰশিক্ষণ দিয়া হয়। শুভাশিস পাণিগ্ৰাহীয়ে ৱিকিপিডিয়াৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰাৰ লগতে জানুৱাৰীত একে ঠাইতে আৰু এটা কৰ্মশালা পতাৰ প্ৰস্তাৱ দিয়ে। চিজু এলেক্সে অসমীয়া ৱীকিপিডিয়াৰ লগত তেওঁৰ সম্পৰ্কৰ কথা কয় আৰু ৱীকিপিডিয়াৰ গুৰুত্ব বুজি বৰঙণি আগবঢ়াবলৈ সকলোকে উৎসাহ দিয়ে। উল্লেখ্য, ভাৰতীয় ভাষাসমূহৰ ভিতৰত মালয়ালম ৱীকিপিডিয়াৰ পিছতে ২০০২ চনতে দ্বিতীয়খন মুক্ত অনলাইন বিশ্বকোষ হিচাপে অসমীয়া ৱীকিপিডিয়া মুকলি কৰা হৈছিল যদিও অৱদানকাৰীৰ অভাৱৰ বাবেই প্ৰবন্ধৰ সংখ্যা তেনেই সীমিত হৈ আছে। পৰিসাংখ্যিকভাৱে মালয়ালম ৱীকিপিডিয়াত প্ৰবন্ধৰ সংখ্যা আজিৰ তাৰিখত ৩৩,৬২৮টা হোৱাৰ বিপৰীতে অসমীয়া ৱীকিপিডিয়াত এই সংখ্যা মাথোঁ ২,৫৬৭টা। এই কৰ্মশালাৰ যোগেদি অসমীয়া ভাষাৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখিয়েই আগ্ৰহী প্ৰতিগৰাকী অসমীয়া ব্যক্তিকে অসমীয়া ৱীকিপিডিয়ালৈ অৱদান আগবঢ়াবলৈ আহ্বান জনোৱা হয়।